# অসম আদিত্য

৮ জেঠ, ১৯৪৭ শক ■ সোমবাৰ, ২ জুন, ২০২৫ ■ Asom Aditya, Dibrugarh, Monday, June 2, 2025 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ


ৰা অসুস্থ হৈ থকাৰ পিছত ডিব্ৰুগড়ৰ
গত চিকিৎসালয়ত চিকিৎসাধীন হৈ
ত কালি পুৱা প্ৰায় ৯ বজাত সকলোকে
ৰি পৰলোকপ্ৰাপ্তি ঘটে। এগৰাকী অতি
খীয়া, নম্ৰ, সৰবৰহী ব্যক্তি হিচাপে
ৰাৰ মৃত্যুৰ বাতৰি বিয়পি পৰাৰ লগে
টোত শোকৰ ছাঁ পৰা পৰিলক্ষিত হয়
গুণমুগ্ধ আহি বাসগৃহত উপস্থিত হৈ
দহ আত্মাৰ চিৰশান্তি কামনা কৰাৰ
সন্তপ্ত পৰিয়ালবৰ্গক সমবেদনা জ্ঞাপন
াতে, টেঙাখাত শাখা সাহিত্য সভা,
াহিত্য কানন আৰু এজেৰাইচিপি
াখাৰ তৰফৰ পৰা সংবাদ মাধ্যমৰ
ক প্ৰকাশ কৰি প্ৰয়াত বৰুৱাক শ্ৰদ্ধাৰে
মৃত্যুৰ সময়ত দেউতাক টেঙাখাতৰ
স্য বয়োজ্যেষ্ঠ ব্যক্তি ঠানুৰাম বৰুৱাৰ
পুত্ৰ আৰু পৰিয়ালৰ অন্যান্যসকলৰ
ণমুগ্ধক ইহসংসাৰত এৰি গৈছে।

## কানৈ শাখা সাহিত্য সভাৰ বক্তৃতানুষ্ঠান

**ষ্টাফ ৰিপৰ্টাৰ, ১ জুন ঃ** যেতিয়ালৈকে মনুহৰ সুখ-দুখ, আনন্দ-বিশাদ, অনুভৱ, উপলব্ধি, ভাতৃত্ব-সংহতি, হাস্য-ব্যংগ, সৎ, অসৎ, যন্ত্ৰণা, সৌন্দৰ্য মানুহৰ হৃদয়ত আলোড়িত হৈ থাকিব, তেতিয়ালৈকে সাহিত্যও থাকিব। প্ৰকৃততে সাহিত্য হ'ল মানুহৰ জীৱনৰ এখন আইনা। সাহিত্যত জীৱন দৰ্শন শীৰ্ষক বিষয়ত বক্তৃতা প্ৰদান কৰি কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই এইদৰে কয়। মহাবিদ্যালয়খনৰ সাহিত্য সভাৰ সভানেত্ৰী ড০ তৃষ্ণা দুৱৰা কলিতাৰ পৌৰহিত্যত অনুষ্ঠিত হোৱা অনুষ্ঠানটোৰ আঁত ধৰে অধ্যাপিকা তথা শাখাৰ সম্পাদিকা ড০ নিতুমণি শইকীয়াই। সাহিত্যত জীৱন দৰ্শনৰ প্ৰথমগৰাকী বক্তা অধ্যক্ষগৰাকীয়ে শাখা সাহিত্য সভাৰ এনে ইতিবাচক কৰ্মক ধন্যবাদ জ্ঞাপন কৰি কয়— কানৈ মহাবিদ্যালয়ৰ সাহিত্য কৰ্মৰ ইতিহাস কোনেও পাহৰিব নোৱাৰে। মহাবিদ্যালয়খনত অনেক গুণী-জ্ঞানী সাহিত্যিকে সাহিত্য সৃষ্টিৰে সমাজলৈ বৰঙনি আগবঢ়াই যোৱা বুলি উল্লেখ কৰি তেওঁ কয়— সাহিত্য কেৱল কাব্য, নাটক, উপন্যাস বা গল্পৰ সমষ্টি নহয়, প্ৰকৃততে ই হৈছে মানুহৰ অন্তৰাত্মাৰ এখন আইনা য'ত মানুহৰ অনুভৱ, উপলব্ধিৰ লগতে সময়, সংস্কৃতি, সমাজ প্ৰতিফলিত হয়। জীৱন দৰ্শনৰ প্ৰসংগ উল্লেখ কৰি তেওঁ কয়— মানুহৰ জীৱনৰ অভিজ্ঞতা সুখ-দুখ, জীৱন, মৃত্যু, আশা-হতাশা, নিৰাশা, প্ৰেম, ঘৃণা এই সকলোৱেই জীৱন দৰ্শনত প্ৰভাৱিত কৰে। কেতিয়াবা এনে দৰ্শন অতি গভীৰ হৈ পৰে আৰু কেতিয়াবা ই অতি শান্ত হৈ পৰে। জীৱনৰ অভিজ্ঞতাই মানুহৰ জীৱন দৰ্শন বুলি উল্লেখ কৰি তেওঁ কয়— মানুহৰ প্ৰতিটো অনুভৱেই একো একোটা দৰ্শন, চিন্তা ৰূপত প্ৰকাশ পায়। যুদ্ধ, দৰিদ্ৰ, বেদনা সেইবোৰকো সাহিত্যই গভীৰভাৱে কাব্যিক ৰূপত মানৱীয় ধ্যান-ধাৰণাৰ শাৰীলৈ নি সামৰি লয় বুলি উল্লেখ কৰি তেওঁ কয়— সাহিত্যই মানুহক নিজৰ ভিতৰৰ মানুহজনক, সত্যক জনা আৰু বুজাত সহায় কৰে। সেয়ে সাহিত্যক মানুহৰ আত্মাৰ সংগীত মানৱতাৰ মহৎ গীত বেদনা আৰু প্ৰেমৰ সমষ্টি বুলি কোৱা হয়। সাহিত্যৰ বিশাল বুকুতেই জীৱন দৰ্শন সোমাই থাকে বুলিও তেওঁ বক্তৃতা প্ৰসংগত উল্লেখ কৰে। অনুষ্ঠানত দৰ্শন বিভাগৰ অধ্যাপিকা ৰমাকান্তি দাস, অসমীয়া বিভাগৰ অধ্যাপক অনন্ত টেৰন, বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপিকা ড০ চন্দনা গোস্বামী, নৃতত্ত্ব বিভাগৰ অধ্যাপিকা ড০ মৰমী তালুকদাৰ, বাংলা বিভাগৰ মুৰব্বী অধ্যাপিকা ড০ ৰীতা পোদ্দাৰ, প্ৰাণী বিজ্ঞান বিভাগৰ প্ৰাক্তন অধ্যাপিকা ড০ চুলতানা হাজৰিকাই অধ্যক্ষগৰাকীৰ বক্তৃতাৰ সুন্দৰ বিশ্লেষণ কৰে আৰু জীৱনক ভিন্ন ৰঙৰ দৰ্শনলৈ ৰূপান্তৰিত কৰিবলৈ সকলোকে আহ্বান জনায়।

## ৭ জুনত ঈদ

**ডিব্ৰুগড়, ৩০ মে' ঃ** সমগ্ৰ দেশৰ লগতে
প্ৰত্যক্ষ কৰাৰ পৰিপ্ৰেক্ষিতত অহা ৭ জুনত
কৰিব তেওঁলোকৰ পৱিত্ৰ উৎসৱ ঈদ-উজ
মছজিদৰ উপৰি গ্ৰাহাম বজাৰত থকা 'ডিব্ৰ
থকা 'আলহজ' জালালউদ্দিন আহমদ ঈদ
ডিব্ৰুগড়ৰ গ্ৰাহাম বজাৰত থকা ডিব্ৰুগড়
অনুষ্ঠিত হ'ব বুলি ঈদগাহ কমিটীৰ সভাপতি
আলহজ চৌকত আলিয়ে জানিবলৈ দিয়ে
কদমনি মছজিদৰ পেচ ইমাম মৌলানা ৰিয়াজু
মছজিদত পুৱা ৮.১৫ বজাত ঈদৰ নামাজ
কমিটীৰ সভাপতি ইকবাল হুছেইন বৰা আৰ
কৰিব পেচ ইমান মৌলানা মোবাৰক হুছেইনে
ঈদৰ নামাজ অনুষ্ঠিত হ'ব পুৱা ৮ বজাত। এই
ইনামুল আলিয়ে বুলি জানিবলৈ দিয়ে মছজিদ
সম্পাদক আলহজ নাচিমুৰ ৰহমানে। ঈদগাহ
নামাজ পঢ়াৰ কাপোৰ লগত নিবলৈ অনুৰোধ